# KRISHNA KANTA HANDIQUI STATE OPEN UNIVERSITY

## MA Assamese 3rd Sem. Examination, 2014

কাকত ঃ দ্বাদশ (ধ্বনিতত্ত্ব আৰু অসমীয়া ধ্বনিতত্ত্ব)

**(Linguistics Group)**

সময় ঃ তিনি ঘণ্টা — মুঠ নম্বৰ ঃ ৮০

১. তলৰ প্ৰশ্নসমূহৰ যিকোনো পাঁচটাৰ উত্তৰ লিখক। ২×৫ = ১০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) হাওঁফাওঁক কোন কোন ধ্বনি বিজ্ঞানীয়ে বাগিন্দ্ৰিয়ৰ ভিতৰত স্থান দিছে?

(খ) অবিভাজ্য ধ্বনি কাক বোলে? ই কেই প্ৰকাৰৰ আৰু কি কি?

(গ) সন্ধি কাক বোলে? ইয়াৰ ভাগবোৰৰ উল্লেখ কৰক।

(ঘ) অসমীয়া ভাষাত উষ্ম ধ্বনি কেইটা আৰু কি কি?

(ঙ) অসমীয়া ভাষাত লয় বা সুৰক কিয় বিশিষ্ট ধ্বনি বা বৰ্ণ বুলি কোৱা হয়?

(চ) উড়িয়া ভাষাৰ বিশিষ্ট স্বৰ ধ্বনি কেইটা আৰু কি কি? এই ভাষাৰ স্বৰবৰ্ণমালাৰ আখৰ কেইটা?

(ছ) ড° সুনীতি কুমাৰ চট্টোপাধ্যায়ৰ মতে বাংলা ভাষাৰ উপভাষাকেইটাৰ নাম উল্লেখ কৰক।

২. তলৰ প্ৰশ্নসমূহৰ যিকোনো তিনিটাৰ উত্তৰ লিখক। ৪×৩ = ১২
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১০০-১৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) বাংলা ভাষাত বিশিষ্ট স্বৰধ্বনি আৰু আখৰৰ মাজত কিবা পাৰ্থক্য আছেনে? চমুকৈ উল্লেখ কৰক।

(খ) অল্পপ্ৰাণ আৰু মহাপ্ৰাণ ধ্বনি কাক বোলে? উদাহৰণ দি বুজাই লিখক।

(গ) ধ্বনিৰ উচ্চাৰণত জিভাৰ ভূমিকা আলোচনা কৰক।

(ঘ) উড়িয়া ভাষাৰ বিশিষ্ট ব্যঞ্জন ধ্বনিৰ তালিকাখন প্ৰস্তুত কৰক।

(ঙ) ভাষাবিদ ফণীন্দ্ৰ নাৰায়ণ দত্ত বৰুৱাই 'A comparative Analysis of the Morphological Aspects of Assamese and Oriya' নামৰ গ্ৰন্থত দেখুওৱা উড়িয়া ভাষাৰ উপভাষা কেইটাৰ নাম লিখক।



৩. তলৰ প্ৰশ্নসমূহৰ যিকোনো তিনিটাৰ উত্তৰ লিখক। ৬×৩ = ১৮
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ২০০-২৫০ টা শব্দৰ ভিতৰত লিখিব)

(ক) অসমীয়া ভাষাৰ মহাপ্ৰাণ ধ্বনিবিলাকৰ প্ৰয়োগ সম্পৰ্কে বিতংকৈ আলোচনা কৰক।

(খ) অসমীয়া ভাষাৰ আদ্য, মধ্য আৰু অন্ত্য স্থানত ব্যঞ্জন ধ্বনিৰ প্ৰয়োগ — উদাহৰণসহ আলোচনা কৰক।

(গ) অসমীয়া ভাষাৰ স্বৰধ্বনিৰ ঐতিহাসিক ক্ৰমবিকাশ সম্পৰ্কে আলোচনা কৰক।

(ঘ) বুজাই লিখক ঃ নাসিক্য ধ্বনি আৰু অনুনাসিক ধ্বনি।

(ঙ) 'অসমীয়া ভাষাৰ উষ্ম ধ্বনি'— আলোচনা কৰক।

৪. তলৰ প্ৰশ্নসমূহৰ যিকোনো চাৰিটাৰ উত্তৰ লিখক। ১০×৪ = ৪০
(প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৪০০ টা শব্দৰ ভিতৰত লিখিব)

(ক) ভাষাবিজ্ঞান আৰু ভাষাতত্ত্বৰ মাজত থকা পাৰ্থক্য বিচাৰ কৰক। ভাষাবিজ্ঞান আৰু ব্যাকৰণ একে নে?

(খ) ড° বাণীকান্ত কাকতিৰ মতে অসমীয়া ভাষাৰ স্বৰৰ ক্ষেত্ৰত হোৱা বিকাশ আৰু পৰিবৰ্তনসমূহৰ ভাগ কেইটা বিতংভাবে আলোচনা কৰক।

(গ) ধ্বনি বুলিলে কি বুজে? ধ্বনিৰ আলোচনা ক'ত কৰা হয়? বাগ্‌ধ্বনি আৰু বাগিন্দ্ৰিয়ৰ মাজত থকা সম্পৰ্ক কেনেকুৱা? আলোচনা কৰক।

(ঘ) সংযুতি বুলিলে কি বুজা যায়? অসমীয়া ভাষাত সৰ্বাধিক কিমানটা স্বৰ আৰু ব্যঞ্জনৰ সংযুতি হোৱা দেখা যায়? উদাহৰণেৰে বিচাৰ কৰক।

(ঙ) ব্যঞ্জন ধ্বনি কাক বোলে? অসমীয়া ব্যঞ্জন ধ্বনিৰ শ্ৰেণীবিভাজন দেখুৱাই এখন তালিকা প্ৰস্তুত কৰি এটি থুলমূল বিৱৰণ দাঙি ধৰক।

(চ) অসমীয়া, বাংলা আৰু উড়িয়া ভাষাৰ উদ্ভৱ আৰু পৰিচয় সম্পৰ্কে ৰেখাচিত্ৰৰ সহায়েৰে এটি আলোচনা আগবঢ়াওক।